**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 01-10-2023
**Time :** 1340 Hrs.

***Assamese Midday Bulletin***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ব্যাপক চাফাই অভিযানত অংশগ্ৰহণ কৰি স্বচ্ছতা হী সেৱা অভিযানত দেশক নেতৃত্ব দিয়ে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি বিয়লি তেলেংগানাৰ মহবুবনগৰত ১৩ হাজাৰ ৫০০ কোটিৰো অধিক টকা ব্যয়সাপেক্ষ কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব।

৩। আমেৰিকা যুক্তৰাষ্ট্ৰৰ উভয় সদনে চৰকাৰী কাম-কাজৰ বাবে চৰকাৰক ধন উপলব্ধ কৰাবলৈ সন্মতি প্ৰকাশ কৰিছে।

*আৰু*

৪। ভাৰতে চীনৰ হাংচ'অ'ত অনুষ্ঠিত এছিয়ান গেমছৰ আজি অষ্টম দিনা এটা সোণ আৰু দুটা ৰূপৰ পদক অৰ্জন কৰিছে। ভাৰত এইবাৰৰ প্ৰতিযোগিতাত বৰ্তমানলৈকে ১১ টা সোণ, ১৬ টা ৰূপ আৰু ১৪ টা ব্ৰঞ্জসহ মুঠ ৪১ টা পদকেৰে পদক তালিকাৰ চতুৰ্থ স্থানত আছে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ব্যাপক চাফাই অভিযানত অংশগ্ৰহণ কৰি স্বচ্ছতা হী সেৱা অভিযানত দেশক নেতৃত্ব দিয়ে। শ্ৰী মোদীয়ে সামাজিক মাধ্যমযোগে সুস্থ, সবল জীৱনৰ হকে আগ্ৰহীসকলক প্ৰভাৱিত কৰি অহা ফিটনেছ ইনফ্লুয়েঞ্চাৰ অংকিত বেয়নপুৰিয়াৰ সৈতে চাফাই অভিযানত অংশগ্ৰহণ কৰে আৰু আৱৰ্জনা চাফা কৰে। শ্ৰী মোদীয়ে লগতে অংকিতৰ সৈতে কথোপকথনতো মিলিত হয়। এই কথোপকথনত শ্ৰী মোদীয়ে শাৰীৰিক সুস্থতাৰ আৱশ্যকতাত গুৰুত্ব আৰোপ কৰে। প্ৰধানমন্ত্ৰীয়ে সামাজিক মাধ্যমৰ এটা প'ষ্টযোগে চাফাই অভিযানৰ সময়ত বেয়নপুৰিয়াৰ সৈতে হোৱা মত বিনিময়ৰ এটা ভিডিঅ' শ্বেয়াৰ কৰিছে। পৰিস্কাৰ-পৰিচ্ছন্নতাৰ বাবে 'এক তাৰিখ এঘণ্টা একেলগে' উদ্যমৰ অংশ হিচাপে প্ৰধানমন্ত্ৰীৰ আহ্বান মৰ্মে আজি সমগ্ৰ দেশৰ জনসাধাৰণে ব্যাপক চাফাই অভিযানত অংশগ্ৰহণ কৰে। প্ৰধানমন্ত্ৰীয়ে ইয়াৰ পূৰ্বে গান্ধী জয়ন্তীৰ প্ৰাক্ক্ষণত জাতিৰ পিতা মহাত্মা গান্ধীলৈ শ্ৰদ্ধা নিবেদন কৰাৰ উদ্দেশ্যে আজি দিনৰ ১০ বজাত এঘণ্টাৰ বাবে চাফাই অভিযানত অংশগ্ৰহণ কৰিবলৈ জনসাধাৰণৰ প্ৰতি আহ্বান জনাইছিল। প্ৰধানমন্ত্ৰীয়ে আকাশবাণী যোগে প্ৰচাৰিত মন কী বাত অনুষ্ঠানৰ শেহতীয়া খণ্ডতো স্বচ্ছতা হি সেৱা অভিযানৰ গুৰুত্ব আলোকপাত কৰি আজিৰ দিনটো স্বচ্ছতা অভিযানৰ বাবে সময় উলিয়াবলৈ আহ্বান জনাইছিল। বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডা, কেন্দ্ৰীয় মন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধান, ড° জীতেন্দ্ৰ সিং, হৰদীপ সিং পুৰী, মীনাক্ষী লেখি আৰু ৰাজীৱ চন্দ্ৰশেখৰে ৰাষ্ট্ৰীয় ৰাজধানী ক্ষেত্ৰ দিল্লীৰ বিভিন্ন স্থানত চাফাই অভিযানত ভাগ লয়।

এই অভিযানৰ অধীনত দেশৰ নগৰ আৰু গ্ৰামাঞ্চলত ৬ লাখ ৪০ হাজাৰৰো অধিক ঠাই শ্ৰমদানৰ বাবে বাছনি কৰা হৈছিল। সমাজৰ সকলো শ্ৰেণীৰ লোকে বজাৰ, ৰে'ল লাইন, জলাশয়, পৰ্যটনথলী, উপসনাস্থলীৰ লেখীয়া ৰাজহুৱা স্থানসমূহত চাফাই অভিযানত অংশগ্ৰহণ কৰে। এই অভিযানৰ অংশ হিচাপে ভালেসংখ্যক আবাসী কল্যাণ

পৰিষদে প্ৰায় ১ লাখ আবাসিক এলেকাত স্বেচ্ছাই শ্ৰমদানৰ বাবে ওলাই আহে। ফলত ভাৰতীয় স্থলসেনা, নৌসেনা আৰু বায়ুসেনাৰ জোৱানসকলেও বিভিন্ন স্থানত জনসাধাৰণৰ সৈতে চাফাই অভিযানত অংশ লয়।

০০০০০০০

প্ৰধানমন্ত্ৰী মোদীয়ে জনোৱা আহ্বানৰ পাছতেই স্বচ্ছতা হি সেৱাৰ অধীনত পোৰ্ট ব্লেয়াৰৰ কাৰ্বিন্‌ছ ক'ভ সমুদ্ৰ তীৰত লেফটেণেণ্ট গৱৰ্নৰ ডি কে যোশীৰ নেতৃত্বত স্বচ্ছতাৰ বাবে শ্ৰমদান অনুষ্ঠিত হয়। অনাময় অভিযানত বহু বিদ্যালয়-মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী আৰু বিভিন্ন বিভাগত কৰ্মৰত বিষয়া-কৰ্মচাৰীসকলে অংশগ্ৰহণ কৰে। গাঁও পঞ্চায়ত আৰু ৱাৰ্ডসমূহ সামৰি আন বহু স্থানতো একেধৰণৰ অনুষ্ঠান অনুষ্ঠিত হয়। পোৰ্ট ব্লেয়াৰত স্বচ্ছতা হি সেৱা কাৰ্যসূচীত নিজৰ চৌপাশ জাবৰমুক্ত কৰি ৰাখিবলৈ সকলো শ্ৰেণীৰ লোক আগবাঢ়ি আহে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি বিয়লি তেলেংগানাৰ মহবুবনগৰলৈ যাব। তাত তেওঁ ১৩ হাজাৰ ৫০০ কোটিৰো অধিক টকা মূল্যৰ কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। ভ্ৰমণকালত শ্ৰীমোদীয়ে কেইবাটাও গুৰুত্বপূৰ্ণ পথ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। এই প্ৰকল্পসমূহ পথ আৰু ৰে'ল আন্তঃগাঁথনি, শিক্ষা, স্বাস্থ্য, শক্তি আৰু বিদ্যুৎ যোগানৰ সৈতে জড়িত। প্ৰধানমন্ত্ৰী বিয়লিৰ ভাগলৈ হায়দৰাবাদ হৈ মহবুব নগৰত উপস্থিত হ'ব। ইয়াৰ পাছতে তেওঁ ৫০৫ কোটি টকা ব্যয়েৰে নিৰ্মাণ কৰি উলিওৱা মুনিৰাবাদ মহবুব নগৰ খণ্ডৰ জাকলেৰ-কৃষ্ণা সংযোগী নতুন ৰে'লপথ ছোৱা ৰাষ্ট্ৰৰ নামত উৎসৰ্গা কৰিব। ইয়াৰ ফলত হায়দৰাবাদ আৰু গোৱাৰ মাজত দূৰত্ব ১০২ কিলোমিটাৰলৈ হ্ৰাস হ'ব। তেওঁ লগতে কাচিগুড়া -ৰাইচুড়-কাচিগুড়াৰ ডেমু ৰে'লসেৱা আৰু দুহেজাৰ ৪৫৭ কোটি টকাৰে নিৰ্মাণ কৰি উলিওৱা সূৰ্যপেট-খন্মমৰ মাজৰ চাৰিটা লেনযুক্ত ঘাইপথ মুকলি কৰিব। প্ৰধানমন্ত্ৰীয়ে লগতে ছহেজাৰ ৪০০ কোটি টকা মূল্যৰ আন ভালেমান পথ প্ৰকল্পৰ আধাৰ শিলা স্থাপন কৰিব। ইয়াৰ উপৰি শ্ৰী মোদীয়ে হাছান-ছাৰ্লাপল্লি ৰন্ধন গেছ পাইপলাইন ৰাষ্ট্ৰৰ নামত উৎসৰ্গা কৰিব। এইচ পি চি এলে দুহেজাৰ ৬৬১ কোটি টকা ব্যয়েৰে এই পাইপলাইন নিৰ্মাণ কৰি উলিয়াইছে। ইয়াৰ ফলত ৰন্ধন গেছ উপভোক্তাৰ সংখ্যা ৩৭ লাখ বৃদ্ধি পাব। প্ৰধানমন্ত্ৰীয়ে লগতে অন্ধ্ৰ প্ৰদেশৰ কৃষ্ণাপট্টনম আৰু হায়দৰাবাদৰ মাজৰ বহুমুখী পাইপলাইনৰ আধাৰশিলা স্থাপন কৰিব। এহেজাৰ ৯৩২ কোটি টকা ব্যয়েৰে নিৰ্মাণ কৰিবলগীয়া এই প্ৰকল্পৰ ফলত ডিজেল, পেট্ৰ'ল, কেৰাচিন আৰু বিমান ইন্ধনৰ পৰিবহণ আৰু যোগান সুচল হৈ পৰিব। প্ৰধানমন্ত্ৰীয়ে কৃষ্ণা ষ্টেছনৰ পৰা হায়দৰাবাদ-ৰাইসুৰ-হায়দৰাবাদ ৰে'ল সেৱাও ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে শুভাৰম্ভ কৰিব। তেওঁ হায়দৰাবাদ বিশ্ববিদ্যালয়ৰ ৫ টা নতুন ভৱনো উদ্বোধন কৰিব। এই ভ্ৰমণৰ এদিন পাছত অৰ্থাৎ মঙলবাৰে প্ৰধানমন্ত্ৰী মোদী নিজামাবাদলৈ যাব। তাত তেওঁ ৮ হাজাৰ ২১ কোটি টকা মূল্যৰ আন কেইটামান প্ৰকল্প ৰাষ্ট্ৰৰ নামৰ উৎসৰ্গা কৰিব।

০০০০০

আমেৰিকা যুক্তৰাষ্ট্ৰৰ সংসদৰ উভয় সদনে হ্ৰস্বম্যাদী পুঁজি যোগান চুক্তিত সন্মতি প্ৰকাশ কৰাৰ পাছত দেশখনৰ চৰকাৰ ছাটডাউনৰ পৰিস্থিতি এৰাই চলিবলৈ সক্ষম হৈছে। ইয়াৰ ফলত দেশখনৰ চৰকাৰী কামকাজ সম্পূৰ্ণৰূপে স্থবিৰ হোৱাৰ আশংকা দূৰ হৈছে। ১৭ নৱেম্বৰলৈকে চৰকাৰক পুঁজিৰে ৰখা এখন বিধেয়কে ইউক্ৰেইনৰ বাবে কোনো নতুন সহায় আগবঢ়োৱাৰ কথা অন্তৰ্ভুক্ত কৰা নাছিল। মাজনিশাৰ আগেয়ে ৰাষ্ট্ৰপতি জ' বাইডেনে এই বিধেয়কত স্বাক্ষৰ কৰে। ইয়াৰ লগে লগে বিধেয়কখন আইনত পৰিণত হৈছে।

কালি বিয়লি এক নাটকীয় পৰিৱৰ্তনত অস্থায়ী পুঁজিৰ ব্যৱস্থা গৃহীত কৰিবলৈ হেতা-ওপৰা লগাইছিল, যিয়ে চৰকাৰক নৰেম্বৰ মাজ ভাগলৈকে মুকলি কৰি ৰাখিব আৰু খৰচৰ মাত্ৰাত কোনো বিশেষ ৰেহাই নিদিব।

ব্যয় কৰ্তনৰ সবল দাবীৰে আলোচনা বন্ধ কৰি ৰখা সুপন্থী ৰিপাব্লিকানসকলৰ এটা সৰু গোটৰ বাবে এয়া এক আঘাত। কিন্তু বন্ধৰ কাম ৰোধ কৰিবলৈ আগ্ৰহী সাংসদসকলৰ সংখ্যা গৰিষ্ঠতাৰ বাবে এই দলৰ মূল দাবী আছিল - ৰাছিয়াৰ আক্ৰমণৰ বিৰুদ্ধে ইউক্ৰেইনৰ প্ৰতিৰক্ষাৰ বাবে আমেৰিকাৰ পৰা ধন আগবঢ়োৱা নহ'ব।

ভোটদানৰ কিছু সময়ৰ পাছতে ৰাষ্ট্ৰপতি জ' বাইডেনে এটা বিবৃতি প্ৰকাশ কৰি কয় যে ৰিপাব্লিকানসকলে সংকটৰ সৃষ্টি কৰিবলৈ চেষ্টা কৰিছে আৰু অধ্যক্ষ মেক কাৰ্থিক ইউক্ৰেইনৰ বাবে অধিক পুঁজিৰ চুক্তি পলম নকৰাকৈ গৃহীত হ'বলৈ অনুমতি দিবলৈ আহ্বান জনায়। তেওঁ কয় যে কোনো কাৰণতে ইউক্ৰেইনৰ প্ৰতি আমেৰিকাৰ সমৰ্থনত বাধাৰ সৃষ্টি হ'বলৈ দিব নোৱাৰি।

0000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মালদ্বীপৰ ৰাষ্ট্ৰপতি হিচাপে নিৰ্বাচিত ডঃ মুহম্মদ মুইজ্জুক অভিনন্দন জনাইছে। প্ৰধানমন্ত্ৰীয়ে সামাজিক মাধ্যমৰ এটা প'ষ্টত কয় যে মালদ্বীপৰ সৈতে দ্বিপাক্ষিক সম্পৰ্ক সুদৃঢ় কৰিবলৈ আৰু ভাৰত মহাসাগৰীয় অঞ্চলত সামগ্ৰিক সহযোগিতা উন্নত কৰিবলৈ ভাৰত বদ্ধপৰিকৰ।

0000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কুনুৰৰ বাছ দুৰ্ঘটনাত নিহতসকলৰ আত্মীয়লৈ ২ লাখকৈ আৰু আহতসকলৰ বাবে ৫০ হাজাৰকৈ টকা আগবঢ়াইছে। তামিলনাডুৰ নীলগিৰিত কুনুৰৰ সমীপত সংঘটিত দুৰ্ঘটনাত প্ৰাণ হেৰুওৱাসকলৰ প্ৰতি প্ৰধানমন্ত্ৰীগৰাকীয়ে গভীৰ শোক প্ৰকাশ কৰিছে। তেওঁ লগতে আহতসকলৰ আশু আৰোগ্য কামনা কৰে।

0000000

কেৰালাত কোডুংগাল্লুৰত এখন ব্যক্তিগত চিকিৎসালয়ত কৰ্মৰত দুজন যুৱ চিকিৎসকৰ গাড়ী বাট হেৰুৱাই পেৰিয়াৰ নদীত পৰি মৃত্যু হয়। স্থানীয় ৰাইজ আৰু অগ্নিনিৰ্বাপক বাহিনীৰ লোকে এগৰাকী মহিলাকে ধৰি গাড়ীখনত থকা আন তিনিজনক উদ্ধাৰ কৰে। অঞ্চলটোত হৈ থকা ধাৰাসাৰ বৰষুণৰ বাবেই এই দুৰ্ঘটনাটো সংঘটিত হয় বুলি স্থানীয় ৰাইজে সন্দেহ প্ৰকাশ কৰিছে।

0000000

চীনৰ হাংচ'অ'ত অনুষ্ঠিত এছিয়ান গেমছৰ আজি অষ্টম দিনা ভাৰতে এটা সোণ আৰু দুটা ৰূপৰ পদক অৰ্জন কৰিছে। আজি পুৰুষৰ শ্বুটিঙৰ ট্ৰেপ শিতানৰ দলীয় শাখাত ভাৰতৰ কিনান ডেৰিয়ছ চেনাই, জোৱাৰৰ সিং সান্ধু আৰু পৃথ্বিৰাজ তন্দাইমানে ৩৬১ পইণ্টেৰে সোণৰ পদক হস্তগত কৰে। কিনান আৰু জোৱাৰৰে এই শিতানৰ ব্যক্তিগত শাখাৰ ফাইনেলতো প্ৰৱেশ কৰিছে। একেদৰে মহিলাৰ শ্বুটিঙৰ ট্ৰেপ শিতানৰ দলীয় শাখাত ভাৰতৰ মণীষা কীৰ, প্ৰীতি ৰজক আৰু ৰাজেশ্বৰী কুমাৰীয়ে ৰূপৰ পদক লাভ কৰে। অৱশ্যে একমাত্ৰ কীৰে এই শিতানৰ ব্যক্তিগত শাখাৰ ফাইনেলত প্ৰৱেশ কৰিবলৈ সমৰ্থ হয়। ইপিনে, ভাৰতৰ অদিতি অশোকে মহিলাৰ গ'ল্ফৰ ব্যক্তিগত শাখাত ৰূপৰ পদক অৰ্জন কৰিছে। এথলেটিক্‌ছত অম্লান বৰগোহাঁইয়ে তৃতীয় স্থান দখল কৰি পুৰুষৰ ২০০ মিটাৰ দৌৰৰ

ছেমি ফাইনেলত প্ৰৱেশ কৰিছে। প্ৰতিযোগিতাত আজি ভাৰতৰ পুৰুষ বেডমিণ্টন দলে ফাইনেলত যোৱাবাৰৰ চেম্পিয়ন চীনৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। একেদৰে মহিলাৰ হকী দল নিজৰ দ্বিতীয়খন খেলত দক্ষিণ কোৰিয়াৰ সন্মুখীন হ'ব। আনহাতে, তজিন্দৰ পাল সিং টুৰ আৰু চাহিব সিঙে পুৰুষৰ শ্বটপুটৰ পদকৰ যুঁজত অৱতীৰ্ণ হ'ব। ভাৰত এইবাৰৰ প্ৰতিযোগিতাত বৰ্তমানলৈকে ১১ টা সোণ, ১৬ টা ৰূপ আৰু ১৪ টা ব্ৰঞ্জসহ মুঠ ৪১ টা পদকেৰে পদক তালিকাৰ চতুৰ্থ স্থানত আছে।

ooooooo

**সমাপ্ত**